# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 25-07-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে মালদ্বীপত উপস্থিত হ'ব।

২। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুষ গোৱেলে ভাৰত আৰু ইংলেণ্ডৰ মাজত সম্পাদিত মুক্ত বাণিজ্য চুক্তিক ঐতিহাসিক বুলি অভিহিত কৰিছে।

৩। উত্তৰ-পূব উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কালি নতুন দিল্লীত উত্তৰ-পূৰ উন্নয়ন মন্ত্ৰালয়ৰ উপদেষ্টা কমিটীৰ এখন বৈঠকত অধ্যক্ষতা কৰে।

৪। পশ্চিমবংগত কালি বজ্ৰ পৰি কমেও ১৫ জন লোক নিহত হয়।

*আৰু*

৫। জৰ্জিয়াৰ বটুমিত অনুষ্ঠিত ফিডে মহিলা বিশ্বকাপ ডবা প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ দুগৰাকী ভাৰতীয় খেলুৱৈ অৱতীৰ্ণ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে মালদ্বীপত উপস্থিত হ'ব। ২০২৩ চনৰ নৱেম্বৰত ৰাষ্ট্ৰপতি ড° মহম্মদ মুইজ্জুৱে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত এয়া হ'ব শ্ৰীমোদীৰ প্ৰথম আৰু সামগ্ৰিকভাৱে তৃতীয় মালদ্বীপ ভ্ৰমণ। মালদ্বীপত থকা ভাৰতৰ উচ্চায়ুক্ত জি. বালাচুব্ৰমণ্যমে প্ৰকাশ কৰা মতে শ্ৰীমোদী ড° মুইজ্জৰ শাসন কালত চৰকাৰী ভ্ৰমণসূচীৰে দেশখনলৈ যোৱা প্ৰথমগৰাকী চৰকাৰ প্ৰধান হ'ব। ভ্ৰমণ কালত দুয়োগৰাকী নেতাই সৰ্বাত্মক অৰ্থনৈতিক আৰু সামুদ্ৰিক সুৰক্ষা সহযোগিতাৰ বাবে ভাৰত-মালদ্বীপ যুটীয়া দৃষ্টিংভংগীৰ ৰূপায়ণৰ ক্ষেত্ৰত লাভ কৰা অগ্ৰগতিৰ বুজ ল'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি চেকৰ্চত ইংলেণ্ডৰ প্ৰধানমন্ত্ৰী  কিৰ ষ্টাৰমৰৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মিলিত হয়। বৈঠকত দুয়োগৰাকী নেতাই উভয় দেশৰ মাজত দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন দিশৰ পৰ্যালোচনা চলায় আৰু পাৰস্পৰিক স্বাৰ্থ জড়িত বিষয় লৈ আলোচনা কৰে। দুয়োগৰাকী নেতাই লগতে উভয় দেশৰ মাজত সম্পাদিত ঐতিহাসিক ভাৰত-ইংলেণ্ড সৰ্বাত্মক অৰ্থনৈতিক আৰু বাণিজ্য চুক্তিৰ প্ৰতি আদৰণি জনায়। এই চুক্তিখনে দ্বিপাক্ষিক বাণিজ্য, বিনিয়োগ, অৰ্থনৈতিক সহযোগিতাৰ সম্প্ৰসাৰণ আৰু কৰ্ম সংস্থাপন সৃষ্টিৰ জৰিয়তে দুয়ো দেশৰ মাজত সৰ্বাত্মক কৌশলগত সহযোগিতাক নতুন পৰ্যায়লৈ লৈ যাব বুলি প্ৰধানমন্ত্ৰীদ্বয়ে আশা প্ৰকাশ কৰে। তেওঁলোকে লগতে ২০৩৫ চনৰ বাবে গ্ৰহণ কৰা ভাৰত-ইংলেণ্ড দৃষ্টিভংগীৰ প্ৰতিও আদৰণি জনায়।

লণ্ডনত কালি বিয়লি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত বিদেশ সচিব বিক্ৰম মিশ্ৰিয়ে কয়, যে ঐতিহাসিক ভাৰত-ইংলেণ্ড বিদেশ বাণিজ্য চুক্তি প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ মূল আকৰ্ষণ হিচাপে পৰিগণিত হৈছে।

প্ৰধানমন্ত্ৰী মোদীয়ে কালি চেণ্ডিংঘাম ইষ্টেটত ইংলেণ্ডৰ ৰজা চাৰ্লছ্ তৃতীয়ক সাক্ষাৎ কৰে। সাক্ষাৎকালত তেওঁলোকে বিভিন্ন দ্বিপাক্ষিক বিষয় আৰু ভাৰত-ইংলেণ্ডৰ মাজৰ সম্পৰ্কৰ আগ্ৰগতিৰ বিষয়ে আলোচনা কৰে। তেওঁলোকে লগতে আয়ুৰ্বেদ, যোগ আৰু মিছন লাইফৰ প্ৰচাৰ, প্ৰসাৰৰ ক্ষেত্ৰত সহযোগিতাৰ সুযোগৰ বিষয়ে আলোচনা কৰে যাতে ইংলেণ্ডও ইয়াৰ উপকাৰ লাভ কৰিব পাৰে। প্ৰধানমন্ত্ৰী মোদীয়ে ৰজা চাৰ্লছক এটা গছৰ পুলি উপহাৰ স্বৰূপে প্ৰদান কৰে। এই পুলিটো এজোপা গছ মাতৃৰ নামত অভিযানৰ অংশহিচাপে শৰৎ কালত চেণ্ডিংঘাম ইষ্টেটত ৰোপণ কৰা হ'ব।

ooooo

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুষ গোৱেলে ভাৰত আৰু ইংলেণ্ডৰ মাজত সম্পাদিত মুক্ত বাণিজ্য চুক্তিক ঐতিহাসিক বুলি অভিহিত কৰিছে। মন্ত্ৰীগৰাকীয়ে চুক্তিখনে বাণিজ্য বিনিয়োগ আৰু কৰ্মসংস্থাপনৰ সুযোগ বৃদ্ধি কৰাত সহায় কৰিব বুলি প্ৰকাশ কৰিছে। লণ্ডণত প্ৰসাৰ ভাৰতীৰ সংবাদদাতাৰ সৈতে হোৱা আছুতীয়া কথা বতৰাত শ্ৰীগোৱেলে কয়, যে এই অভূতপূৰ্ব চুক্তিখনে খেতিয়ক, ক্ষুদ্ৰ ব্যৱসায়ী, অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ড, ষ্টাৰ্ট আপ প্ৰতিষ্ঠান আৰু অন্য সেৱা খণ্ডসমূহক উপকৃত কৰিব। চুক্তিখনক দেশৰ উন্নয়ন যাত্ৰাত মাইলৰ খুঁটি বুলি অভিহিত কৰি শ্ৰীগোৱেলে কয়, যে চুক্তিখনে ভাৰতীয় সামগ্ৰী, বৃত্তিধাৰী, শিক্ষা, কৃষি, প্ৰ-সংস্কৰিত খাদ্য সামগ্ৰীৰ বাবে ইংলেণ্ডৰ বজাৰসমূহৰ দ্বাৰ মুকলি কৰিব। ৩ বছৰৰ হ্ৰস্বম্যাদী চাকৰিৰ সূত্ৰে ইংলেণ্ডলৈ যোৱা ভাৰতীয় সকলো চুক্তিখনৰ দ্বাৰা লাভান্বিত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীগোৱেলে কয়, যে চুক্তিখন ৰূপায়ণ হোৱাৰ পাছত তেওঁলোকে সামাজিক সুৰক্ষা পুঁজিৰ বাবে ধন আদায় দিব নালাগে বৰঞ্চ সেই ধন ঘৰলৈ প্ৰেৰণ কৰিব পাৰিব।

ooooo

উত্তৰ-পূব উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কালি নতুন দিল্লীত উত্তৰ-পূব উন্নয়ন মন্ত্ৰালয়ৰ উপদেষ্টা কমিটীৰ এখন বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত উত্তৰ-পূৰ্বাঞ্চলৰ অষ্টলক্ষ্মী ৰাজ্যসমূহৰ বাবে বাজেটত আৱণ্টিত ১০ শতাংশ মুঠ সাহায্য ব্যৱস্থাৰ পৰ্যালোচনা আৰু ইয়াৰ বাবে সহযোগিতা সুদৃঢ় কৰাৰ বিষয়ে আলোচনা কৰা হয়। উন্নত প্ৰদৰ্শনৰ ধাৰাৰ বিষয়ে উল্লেখ কৰি শ্ৰীসিন্ধিয়াই কয়, যে ২০১৪ চনৰে পৰা ১০ শতাংশ মুঠ বিত্তীয় সাহায্যৰ গঢ় ব্যৱহাৰ আশা কৰাতকৈ ভাল হৈছে। তেওঁ লগতে প্ৰভাৱশালী প্ৰকল্পৰ চিনাক্তকৰণৰ ক্ষেত্ৰত সাংসদসকলৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ে আলোকপাত কৰে। উত্তৰ-পূব উন্নয়ন মন্ত্ৰালয়ে ৰাজ্য, কেন্দ্ৰীয় মন্ত্ৰালয় আৰু নিৰ্বাচিত প্ৰতিনিধিসকলৰ মাজৰ ফলপ্ৰসূ সেঁতু হিচাপে কাম কৰি যাব বুলি তেওঁ আশ্বাস দিয়ে।

ooooo

পশ্চিমবংগত কালি বজ্ৰ পৰি কমেও ১৫ জন লোক নিহত হয়। নিহতসকলৰ অধিকাংশই পথাৰত কাম কৰি আছিল। এইসকলৰ ভিতৰত ৮ জন লোক বাঁকুৰা জিলাৰ, ৫ জন পূব বৰ্ধমানৰ, এজন পুৰুলিয়াৰ আৰু এজন পশ্চিম মেদিনীপুৰৰ বুলি জানিব পৰা গৈছে।

আনহাতে বজ্ৰ পৰি পূব বৰ্ধমানৰ ৪ জন লোক আহত হোৱাৰো বাতৰি পোৱা গৈছে।

ooooo

নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ'ই কালি অসম-নাগালেণ্ড সীমান্তৰ নিৰীক্ষণ ব্যৱস্থা সুদৃঢ় কৰাৰ উদ্দেশ্যে মুখ্য সচিব ড° জে আলম, আৰক্ষী আৰু অন্য জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। বৈঠকৰ অন্তত শ্ৰীৰিঅ'ই সামাজিক মাধ্যম যোগে কয়, যে ৰাজ্য চৰকাৰে অবৈধ অনুপ্ৰৱেশ ৰোধ কৰাৰ বাবে সকলো পক্ষৰ সৈতে সক্ৰিয়ভাৱে আলোচনা কৰি আছে আৰু সীমান্ত অঞ্চলৰ পহৰা ব্যৱস্থা তীব্ৰতৰ কৰি তুলিছে। তেওঁ কয়, যে উপ মুখ্যমন্ত্ৰী ৱাই পট্টনে ব্যক্তিগতভাৱে পৰিস্থিতি নিৰীক্ষণ কৰি থকাৰ লগতে জিলা প্ৰশাসন তথা আৰক্ষীয়ে অবৈধ আহ-জাহ ৰোধ কৰাৰ বাবে ঘনিষ্ঠতাৰে কাম কৰি আছে। জনসাধাৰণৰ সুৰক্ষা আৰু শান্তি-শৃংখলা বৰ্তাই ৰখাৰ প্ৰতি ৰাজ্য চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে উল্লেখ কৰি শ্ৰীৰিঅ'ই পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি আশ্বাস দিয়ে। অবৈধ কাৰ্যকলাপ নিয়ন্ত্ৰণ কৰাৰ উদ্দেশ্যে আইন অনুসৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। অসমত চলোৱা উচ্ছেদ অভিযানক লৈ সৃষ্টি হোৱা বৰ্ধিত উদ্বেগৰ মাজতে উপ মুখ্যমন্ত্ৰী ৱাই পট্টনে কালি পৰিস্থিতি মূল্যায়নৰ উদ্দেশ্যে ৰোখা আৰু নিউলেণ্ড জিলাৰ সীমান্তৱৰ্তী এলেকাসমূহ পৰিদৰ্শন কৰে। অসম আৰু নাগালেণ্ড চৰকাৰে বিবাদিত এলেকাসমূহত যুটীয়াভাৱে উচ্ছেদ অভিযান চলাব বুলি উপ মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

নতুন দিল্লীত কালি প্ৰধানমন্ত্ৰী বিকাশ যোজনাৰ অধীনৰ সবলীকৰণ কামিটীৰ তৃতীয়খন বৈঠক অনুষ্ঠিত হয়। সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ে এখন বিজ্ঞপ্তিত প্ৰকাশ কৰা মতে, বৈঠকত প্ৰযুক্তিগত দক্ষতা, উদ্যমীতা আৰু সাংস্কৃতিক সংৰক্ষণৰ ওপৰত আলোকপাত কৰি চৰকাৰী নিকায়, বিশ্ববিদ্যালয় আৰু বিভিন্ন সামূহিক সংগঠনৰ ১৫টা প্ৰস্তাৱৰ মূল্যায়ন কৰা হয়।

উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী বিকাশ যোজনাৰ দ্বাৰা বিভিন্ন খণ্ডত সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলৰ বিকাশৰ উদ্দেশ্যে ৰাষ্ট্ৰীয় সংখ্যালঘু উন্নয়ন আৰু বিত্ত নিগমৰ জৰিয়তে ঋণৰ সেৱা সুবিধা প্ৰদান কৰা হয়।

০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ, পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কৈছে, যে সামুদ্ৰিক ৰাষ্ট্ৰ হিচাপে শক্তিশালী নীতি আৰু বিনিয়োগ বৃদ্ধিৰে ভাৰতে পৰিৱৰ্তনৰ দিশে গতি কৰিছে। নতুন দিল্লীত অনুষ্ঠিত সামুদ্ৰিক বিত্ত যোগান সন্মিলনত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয়, যে দেশৰ বন্দৰসমূহৰ কাৰ্যকৰী দক্ষতা পূৰ্বতকৈ ভালেখিনি উন্নত হৈছে। স্বয়ংচালিত পথৰ অধীনত জাহাজ পৰিবহণ খণ্ডত ১০০ শতাংশ প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ অনুমতি দিয়া হৈছে তেওঁ বুলি উল্লেখ কৰে। বৰ্তমান ভাৰত অন্যতম বিনিয়োগ পৰিৱেশতন্ত্ৰ হিচাপে বিবেচিত হৈছে। বৈঠকত মূলধনী ব্যয় হ্ৰাস কৰা, জাহাজ মেৰামতি তথা নিৰ্মাণস্থলীৰ বাবে দীৰ্ঘম্যাদী বিনিয়োগৰ আকৰ্ষণ বৃদ্ধিৰ লগতে উপকূলীয় আন্তঃগাঁথনি বৃদ্ধিৰ উদ্দেশ্যে সামুদ্ৰিক উন্নয়ন পুঁজি ঘোষণা কৰা হয়।

০০০০০

জৰ্জিয়াৰ বটুমিত অনুষ্ঠিত ফিডে মহিলা বিশ্বকাপ ডবা প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ দুগৰাকী ভাৰতীয় খেলুৱৈ অৱতীৰ্ণ হ'ব। দিব্যা দেশমুখে কালি চেমি ফাইনেলত চীনৰ গ্ৰেণ্ড মাষ্টাৰ্ছ টান ঝোংগয়িক পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। একেদৰে কনেৰু হাম্পিয়ে চীনৰে আন এগৰাকী খেলুৱৈ লেই টিংজিক পৰাভূত কৰি ফাইনেলত প্ৰৱেশ কৰে।

০০০০০

অ'ল্ড ট্ৰেফ'ৰ্ডত অনুষ্ঠিত এণ্ডাৰ্ছন- তেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলৰ দ্বিতীয় দিনৰ সামৰণি পৰলৈকে ইংলেণ্ডে কালি প্ৰথম ইনিংছত দুটা উইকেট হেৰুৱাই ২২৫ ৰান সংগ্ৰহ কৰে। দিনান্তত অলি পোপে ২০ আৰু য'ৰুটে ১১ ৰাণ সংগ্ৰহ কৰি খেলি আছিল। ইংলেণ্ড ভাৰতৰ প্ৰথম ইনিংছতকৈ ১৩৩ ৰানত পিছ পৰি আছে।

ইয়াৰ পূৰ্বে ভাৰতে কালি ৩৫৮ ৰানত প্ৰথম ইনিংছ সামৰে। ভাৰতে চাৰি উইকেটৰ বিনিময়ত প্ৰথম দিনা সংগ্ৰহ কৰা ২৬৪ ৰানৰ পৰা খেল আৰম্ভ কৰি কালি মাত্ৰ ৯৪ ৰানহে যোগ দিবলৈ সমৰ্থ হয়। ছাই সুদৰ্শন ৬১, ছাৰ্দুল ঠাকুৰে ৪১ আৰু ৰবীন্দ্ৰ জাডেজাই ২০ ৰান কৰি আউট হয়। প্ৰথমদিনা আঘাতপ্ৰাপ্ত হৈ  খেলপথাৰ ত্যাগ কৰিবলগীয়া হোৱা ভাৰতৰ উপ-অধিনায়ক ঋষভ পণ্ট বেটিং কৰিবলৈ আহে আৰু ভাৰতৰ ৰান সংখ্যা আগবঢ়াবলৈ চেষ্টা কৰে। পণ্ট ৫৪ ৰানত আউট হয়। ইংলেণ্ডৰ হৈ বেন ষ্ট'কছে ৫টা আৰু জ'ফ্ৰা আৰ্চাৰে ৩ টা উইকেট লাভ কৰে।

ooooo

**সমাপ্ত**